**FACULTY HIGHER SECONDARY SCHOOL**
**SAMPLE PAPER -2019-20**
**CLASS-X**
**SUBJECT-ASSAMESE**
**FULL MARKS-50**

## SECTION-A

১।তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা।

মানৱ সভ্যতাত লিখাৰ? কৌশল অৰ্থাৎ বৰ্ণমালা আৰু। লিখিত, ভাষা আৱিস্কাৰ হোৱাৰ পাছত মানুহে নিজৰ ভাব লিখিত ৰূপত প্ৰকাশ কৰাৰ সুবিধা পালে। লাহে লাহে মানুহে নিজৰ মনৰ ভাব-কথা, জীৱনৰ অভিততা ঘটনা-কাহিনী আদি বিষয়ৰ কথা লিখি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলেই, ইয়াৰ পৰা কিতাপ বা গ্ৰন্থৰ জন্ম হয় মানুহৰ জ্ঞান-বিজ্ঞান আৰু বিনোদনৰ ক্ষেএত যুগে।যুগে কিতাপে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

কিতাপ পঢ়িলে জ্ঞান বাঢ়ে ,মন বহুল হয়,বহু নজনা কথা জানিব পাৰি। তদুপৰি দেশ বিদেশৰ বিদ্ধান লোকসকলৰ চিন্তা- ভাৱনা ,সাহিত্য কৰ্মৰ লগত সম্পৰ্ক স্থাপন হয়। কিতাপ আজৰি সময়ত আনন্দ দিয়াৰ লগতে ,একোখন ভাল কিতাপে মানুহৰ একোজন ভাল বন্ধুৰ দৰে লগ দিয়ে।

একোখন কিতাপ পঢ়িলে আনন্দ লাভ কৰাৰ লগতে মনৰো বিকাশ হয়।একো একোখন কিতাপত থকা মহৎ লোকৰ বাণীসমূহে জীৱনৰ গতি—পথ সলনি কৰি দিয়ে আৰু আদৰ্শ ব্যক্তি হোৱাত প্ৰেৰণা দি যাব পাৰে। জীৱনত এজন প্ৰকৃত মানুহ হব পৰাটোৱেই সৱাতোকৈ প্ৰয়োজনীয় আৰু প্ৰধান কাম। আটাইতকৈ ডাঙৰ কথাটো হল একোখন ভাল কিতাপৰ দৰে আজীৱন নিঃস্বাৰ্থ সংগী আৰু সৎ বন্ধু কোনোৱাই নাই,সেইবাবেই আমি কিতাপ বা গ্ৰন্থ পঢ়িব লাগে।

1) কিতাপ বা গ্ৰন্থৰ জন্ম কেতিয়া হয়? ২
2) কিতাপ পঢ়িলে কি হয়? ২
3) মহ লোকৰ বাণীয়ে আমাৰ জীৱনত কেনেদৰে প্ৰভাব পেলায় ? ২
4) কিতাপৰ সমাৰ্থক শব্দ কি ? , ১
5) বিপৰীত অথবোধক শব্দ লিখা----বন্ধু ১
6) এখন ভাল কিতাপক কিহৰ লগত তুলনা কৰিব পা-ৰি? ১
7) প্ৰয়োজনীয় শব্দটো কি উপসৰ্গ ? ১

## SECTION-B

২। তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি,, তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা ---- ৫

গছৰ ওপৰত এজনী কাউৰী-------মুখত মঙহ-----গছৰ তলত লুভীয়া শিয়াল------মঙহ টুকুৰালৈ লোভ----কাউৰীৰ প্ৰশংসা শুনি কাউৰীয়ে ভাল পালে---গীত গাবলৈ মুখ মেলিলে----মঙহ টুকুৰা মাটিত পৰিল-----শিয়ালে মঙহ লৈ হাবিৰ মাজলৈ দৌৰিলে----

**নাইবা**

২। তলত দিয়া যিকোনো এখন ৰচনা লিখা------- ৫

ক)যি কোনো এটা উৎসৱ

খ) নিয়মানুৱৰ্ত্তিতা

৩।ভাব বহলাই লিখা ---- ৫

লাগি থাকিলে মাগি নাখায়

**নাইবা**

তোমাৰ বছেৰেকীয়া পৰীক্ষাৰ ফলাফল জনাই বান্ধৱী/বন্ধুলৈ এখন চিঠি লিখা। ৫

**SECTION-C**

৫। ক। তলত দিয়া উপসৰ্গ কেইটাই এটাকৈ শব্দ লিখা-----(যি কোনো দুটা)

প্ৰ ,পৰা, অপ , বি ১× ২=২

খ। যি কোনো দুটা অনুসৰ্গ ব্যৱহাৰ কৰি বাক্যৰচনা কৰা। ২

গ। এটা শব্দত প্ৰকাশ কৰা ------- ১× ২=২

১। যি ঈশ্বৰক বিশ্বাস নকৰে ---------

২। যি পৰৰ ওপৰত নিৰ্ভৰ কৰি চলে ---------

ঘ। বিপৰীত শব্দ লিখা ------ ১× ২=২

আশীৰ্বাদ , উৎকৃষ্ট

৬। সমাৰ্থক শব্দ লিখা -------- ১× ২=২

চকু , অগ্নি

**SECTION-D**

(**পদ্যভাগ**)

৬। তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উওৰ লিখা- ১× ২=২

ক। মোহ -পাশ মানে কি ?

খ। ৰছুল শব্দটোৰ অৰ্থ কি ?

গ। মাধবদেৱৰ বৰগীতৰ সংখ্যা কিমান ?

ঘ জিকিৰ শব্দৰ মূল অৰ্থ কি ?

৭। দুই-তিনি শাৰীত উওৰ লিখা-(যিকোনো দুটা লিখা) ২× ২=৪

ক। কি কি ভাষাৰ সংমিশ্ৰণেৰে ব্ৰজাৱলী ভাষাই এক স্বতন্ত্ৰৰূপ লাভ কৰিছে ?

খ। কোনে ,কিয় আজান ফকিৰৰ চকু কাঢ়িছিল ?

গ। নৱবৈষ্ণৱ ধৰ্মক সাধাৰণ মানুহৰ কাষ চপাই মাধৱদেৱে কি কৰিছিল ?

ঘ। আজান ফকিৰৰ বিষয়ে লিখা।

৮। উওৰ লিখা ---( যিকোনো এটা) ৪× ১=৪

ক। শ্ৰী শ্ৰী মাধৱদেৱৰ বৰগীতটিৰ মূলভাৱ লিখা।

খ। পানী মৰে পিয়াহত , অগ্নি মৰে জাৰত

খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।

(**গদ্যভাগ**)

৯। চমু উওৰ লিখা-----(যিকোনো দুটা) ১× ২=২

ক। ছাত্ৰসকলে কি কি বিষয়ত জ্ঞান লাভ কৰি দেশসেৱাত ব্ৰতী হ'ব লাগে ?

খ। ডেম- ডেউকা মানে কি ?

গ। শিক্ষাৰ্থীৰ উন্নতিৰ ঘাই মন্ত্ৰ কি ?

ঘ। ডিম্বেশ্বৰ নেওগৰ প্ৰথম বুৰঞ্জীমূলক গ্ৰন্থখনৰ নাম কি ?

১০। তলত দিয়া প্ৰশ্নৰ যিকোনো দুটা লিখা - ২× ২=৪

ক। ডিম্বেশ্বৰ নেওগৰ বুৰঞ্জীমূলক গ্ৰন্থদুখনৰ নাম লিখা।

খ। ছাত্ৰসকলে গ্ৰাম্যজীৱনত শিক্ষাৰ প্ৰসাৰ কেনেদৰে কৰিব পাৰে ?

গ। প্ৰকৃত দেশৰ উন্নতি কিহৰ ওপৰত নিৰ্ভৰশীল ?

ঘ। ডিম্বেশ্বৰ নেওগৰ জন্ম কেতিয়া আৰু ক'ত হৈছিল ?

১১। উওৰ লিখা -------( যিকোনো এটা ) ৪× ১= ৪

ক। প'ঢ়াই পঢ়ে, ৰোৱে পাণ
এই তিনি নিচিন্তে আন ।

খ। উদৰ সাতপুৰুষ মৰিল কেঁচা মাছ খাই, বান্দৰৰ সাত পুৰুষ মৰিল ডাল কোবাই।

**Answer:**

৩ । ভাব বহলাই লিখা ---------

লাগি থাকিলে মাগি নাখায় । ৫

উওৰ---জতুৱা ঠাচ ,ফকৰা যোজনা ,খণ্ডবাক্য আদি হ"ল ভাষাৰ সম্পদ আৰু সৌন্দয্য, ভাষাৰ লালিত্য আৰু সুৰৰ মাধুৰ্য আৰু ভাব ৰ উচ্চতা বৃদ্ধি কৰাত এইবোৰে যথেষ্ট সহায় কৰে । যি বোৰ ভাষাত জতুৱা ঠাচ খণ্ডবাক্য আদিৰ ব্যৱহাৰ বছিকৈ হয় সেই ভাষা সিমানেই চহকী হয় ।সাহিত্যৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ এই ফকৰা যোজনা জতুৱা ঠাচ আদিয়ে অসমীয়া সাহিত্যৰো ভৰাঁল চহকী কৰিছে। তেনে এটি অসমীয়য়া ভাষাৰ সৌষ্ঠৱ বধক ঠাচৰ বাক্য হ'ল ।লাগি থাকিলে মাগি নাখায় কোনো এটা কামত যেতিয়া লাগি থকা যায় তেতিয়া তেওঁ মাগি খাবলগীয়া নহয় অৰ্থাৎ কোনো এটা কামত নিষ্ঠাসহকাৰে লাগি থাকিলে তাৰ ফল এদিন নহয় এদিন পাবই । কাৰণ কথাতে "যত্ব কৰিলেহে ৰত্ন মিলে "। গতিকে আমি যত্ন কৰিলেহে ৰত্ন পোৱাৰ আশা কৰিব পাৰি । গছপুলি এটা ৰুই তাৰ যথাযোগ্য প্ৰতিপালন কৰিলে যেনেদৰে এদিন সি ফল দিবই ঠিক তেনেদৰে চেষ্টা চলাই গলে এদিন কৃতকাৰ্যতা আহিবই ,সফলতাৰ উচ্চতম শৃংগত বিজয় নিচান উৰুৱাবলৈ হলে মানুহে চেষ্টা তথা পৰিশ্ৰম আৰু একানপতীয়া অধ্যৱসায়কে সমল হিচাপে লৈ ধৈয্যৰ জখলাৰে আগুৱাব লাগিব । অন্যথা আনে গৈ শিখৰত অধিস্থিত হোৱাৰ পিছতো গিৰিপথ বিচাৰি হাবুদুবু খাব লাগিব ।ধৈয্য আৰু সাধনাই অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰে ।গীতাত উল্লেখ থকাৰ দৰে " তুমি কাৰ্য কৰি যোৱা ফলৰ কথা চিন্তা নকৰিবা "যদিহে মানুহে একান্ত মনোযোগেৰে চল চাতুৰি নকৰাকৈ নিজৰ কৰ্তব্য মনোনিবেশ কৰে তেন্তে গোটেই পৃথিবীখনেই স্বৰ্গৰ ইন্দ্ৰপুৰী সম ধুনীয়া হৈ পৰিব । গতিকে যিটো কামেই কৰা যায় সেই কামটোত একাণপতীয়া কৈ লাগি থাকিলে সকলো কামতে সফলতা লাভ কৰাটো সত্য ।

৬ ।ক । উওৰ ---মোহ -পাশ মানে মায়াৰ জৰী অৰ্থাৎ মায়াৰ বান্ধোন ।

খ উওৰ - ৰচুল শব্দটোৰ অৰ্থ হল আল্লাৰ দূত ।